# উপসংহাৰ

মান্য অসমীয়া সৈতে উজনি অসমৰ ঔপভাষিক ৰূপৰ তুলনা কৰিলে পোনতে কোনো বিশেষ পাৰ্থক্য চকুত নপৰে যদিও ভালদৰে মন কৰিলে শব্দৰ উচ্চাৰণ, সুৰ লহৰ, শব্দভাণ্ডাৰ আদিৰ ক্ষেত্ৰত বহুতো পাৰ্থক্য দেখা যায়। শ'ল'গুৰি মৌজাৰ ঔপভাষিক ৰূপটিও ইয়াৰ ব্যতিক্ৰম নহয়। মৌজাখনৰ লোকসমাজত প্ৰচলিত  নিজস্ব শব্দভাণ্ডাৰ, কথন ভংগী, সুৰ লহৰ, জতুৱা ঠাঁচ আদি সমূহ অসমীয়া ভাষাৰ সম্পদ স্বৰূপ। উজনি অসমৰ ভাষাৰ অধ্যয়ন ইতিমধ্যে বিস্তাৰিতভাৱে হৈছে যদিও উজনি অসমৰ নাৰীসকলৰ ভাষা ব্যৱহাৰৰ বিষয়ে বিশেষ অধ্যয়ন হোৱা নাই। শ'ল'গুৰি মৌজাৰ নাৰীসকলৰ ভাষা উজনি অসমৰ নাৰী-ভাষাৰ এক ক্ষুদ্ৰ সংস্কৰণ স্বৰূপ। সেয়ে এই অধ্যয়নত মৌজাখনৰ ভৌগোলিক পৰিসৰৰ ভিতৰত নাৰী-ভাষা ব্যৱহাৰৰ বিভিন্ন দিশ আৰু বৈশিষ্ট্যসমূহৰ বিশ্লেষণ সমাজ ভাষাবিজ্ঞানৰ দৃষ্টিৰে কৰিবলৈ চেষ্টা কৰা হৈছে। আমাৰ গৱেষণা গ্ৰন্থত ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে তথ্যদাতা সকলৰ পৰা আৰু বিভিন্ন সময়ত পৰ্যবেক্ষণৰ জৰিয়তে যিবোৰ তথ্য পোৱা গৈছে,  সেই সকলোবোৰ বিশ্লেষণাত্মক দৃষ্টিভংগীৰে চালি-জাৰি চাই  সন্নিবিষ্ট কৰা হৈছে।

গৱেষণা গ্ৰন্থৰ প্ৰথম অধ্যায়ত, 'শ'ল'গুৰি মৌজাৰ চমু পৰিচিতি'ত ঐতিহাসিক দৃষ্টিকোণৰ পৰা মৌজাখনৰ গুৰুত্ব তথা লোকবিশ্বাস, জনশ্ৰুতি আৰু বুৰঞ্জীয়ে শ'ল'গুৰিৰ উৎপত্তি সম্পৰ্কে দিয়া মতামত সমূহ দাঙি ধৰা হৈছে। মৌজাখনৰ ভৌগোলিক অৱস্থিতি, সামাজিক প্ৰেক্ষাপট আৰু জনগাঠনিৰ চমু আভাস দিয়া হৈছে।

দ্বিতীয় অধ্যায়, 'সমাজ ভাষাবিজ্ঞান আৰু ভাষাৰ লিংগগত পাৰ্থক্য'ত সমাজ ভাষাবিজ্ঞানৰ চমু আভাস দাঙি ধৰি সমাজে পুৰুষ আৰু নাৰীৰ মাজত সৃষ্টি কৰা লিংগভিত্তিক বিভিন্ন পাৰ্থক্যসমূহ ফঁহিয়াই দেখুওৱা হৈছে। নাৰী আৰু পুৰুষৰ মানসিকতা সমাজে গঢ় দিয়ে। একে মগজু লৈয়ে প্ৰত্যেক নাৰী-পুৰুষে জন্ম লাভ কৰে যদিও সমাজ আৰু সংস্কৃতিয়ে যেনেদৰে গঢ় দিয়ে তেনেদৰেহে পুৰুষ আৰু নাৰীৰ মানসিকতা গঢ় লয়। সমাজৰ এই প্ৰবৃত্তিৰ ফলত নাৰী আৰু পুৰুষৰ ভাষিক পাৰ্থক্যৰো সৃষ্টি হয়। যাৰ ফলত নাৰী-ভাষাই এক সুকীয়া ৰূপ লাভ কৰে। এই বিষয়সমূহ এই অধ্যায়ত আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়ত, নাৰী-ভাষাৰ সামগ্ৰিক ধাৰণা আৰু ইয়াৰ সৈতে জড়িত তাত্ত্বিক কথাৰে আলোচনা আগবঢ়োৱা হৈছে। নাৰী-ভাষাৰ অধ্যয়ন বৰ্তমান সময়ৰ এক অন্যতম আলোচ্য বিষয়। সাম্প্ৰতিক সময়ত গৱেষকসকলে নাৰী-ভাষাৰ গুৰুত্ব উপলব্ধি কৰি বিষয়টোৰ ভাষিক বৈশিষ্ট্য সমূহ উদ্ধাৰ কৰিছে। প্ৰত্যেক ঠাইৰ ভাষা পৃথক হোৱাৰ দৰে নাৰী-ভাষাসমূহো পৃথক হয় যদিও সকলো নাৰীৰ ভাষাত কিছুমান সাৰ্বজনীন বৈশিষ্ট্য পৰিলক্ষিত হয়। এই বৈশিষ্ট্যসমূহৰ আধাৰতে যিকোনো ঠাইৰ নাৰী-ভাষাৰ অধ্যয়ন সম্ভৱ হয়। নাৰী-ভাষাৰ অধ্যয়নৰ ইতিহাস আৰু বৰ্তমানৰ স্থিতি সম্পৰ্কে এই অধ্যায়ত এটা থূলমূল আভাসো দিয়া হৈছে।

চতুৰ্থ অধ্যায়, 'শ'ল'গুৰি মৌজাৰ নাৰী-ভাষাৰ ব্যৱহাৰ'ত মৌজাখনৰ বিভিন্ন জাতি, ধৰ্ম, বৃত্তি, বয়স, সাক্ষৰতা অনুসৰি নাৰী-ভাষা ব্যৱহাৰৰ বিশেষত্বসমূহ দাঙি ধৰা হৈছে।

পঞ্চম অধ্যায়ত শ'ল'গুৰি মৌজাত প্ৰচলিত নাৰীকেন্দ্ৰিক উৎসৱ-অনুষ্ঠানত গোৱা গীত-মাতৰ নিদৰ্শনৰ লগতে সেইবোৰৰ ভাষিক বিশেষত্ব সমূহৰ পৰ্যালোচনা কৰা হৈছে।

আমাৰ অধ্যয়নৰ ফলশ্ৰুতিৰূপে মৌজাখনৰ নাৰী-ভাষা ব্যৱহাৰৰ বিভিন্ন দিশ অধ্যয়ন কৰি সামগ্ৰিকভাৱে নাৰী-ভাষা সম্পৰ্কে কেতবোৰ সিদ্ধান্ত নিৰ্দেশ কৰিব পাৰি।

মৌজাখনৰ নাৰীসকলৰ ভাষাত এক ধৰণৰ স্বকীয় বৈশিষ্ট্য বিদ্যমান। মৌজাখনৰ ভাষিক ৰূপত এনে বহুত শব্দ সোমাই আছে যিবোৰ কেৱল সেই অঞ্চলৰ মহিলাসকলেহে ব্যৱহাৰ কৰে। ইয়াৰ উপৰিও মৌজাখনৰ নাৰী-ভাষাত এক বিশেষ ধৰণৰ সুৰ লহৰ আৰু প্ৰকাশভংগী পৰিলক্ষিত হয়। দীঘলীয়া, উঠা-নমা আৰু শুনাত শুৱলা এই সুৰ লহৰ মৌজাখনৰ নাৰী-ভাষাৰ অন্যতম বিশেষত্ব। জাতিগত, আৰ্থিক আৰু সামাজিক বৈচিত্ৰ্যই এই সুকীয়া শব্দ তথা সুকীয়া সুৰ লহৰ আৰু প্ৰকাশভংগী সৃষ্টিত অৰিহণা যোগাইছে। এই বিশেষত্বসমূহ অসমীয়া ভাষাৰ উল্লেখযোগ্য সম্পদ। কিন্তু , দুৰ্ভাগ্যজনকভাৱে এই বিশেষত্বসমূহ লাহে লাহে মৌজাখনৰ নাৰীভাষাৰ পৰা হেৰাই যাবলৈ ধৰিছে। শিক্ষা তথা আধুনিকতাৰ প্ৰ ভাৱত নৱ-প্ৰজন্মৰ নাৰীসকলে পুৰণি সুৰ লহৰ আৰু প্ৰকাশ-ভংগী পৰিহাৰ কৰিছে। আধুনিকতাৰ ধাম্‌খুমীয়াত আৰু মাত্ৰ কেইবছৰমানৰ ভিতৰতে এই সুৰ নোহোৱা হোৱাৰ সম্ভাৱনা আছে। বৰ্তমান এই সুৰ ব্যৱহাৰ কাৰী মহিলাক তথাকথিত আধুনিকসকলে 'গাৱলীয়া' বুলি হাঁহিয়াতৰ পাত্ৰত পৰিণত কৰাৰ ঘটনাও আমাৰ ক্ষেত্ৰ অধ্যয়নৰ সময়ত দৃষ্টিগোচৰ হৈছে।

মৌজাখনৰ মহিলাসকলৰ মাজত অতীজৰে পৰা প্ৰচলিত স্বাৰ্থিক প্ৰত্যয় আৰু বাক্যলংকাৰ জাতীয় শব্দসমূহেও ভাষাটোৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। কথাই প্ৰতি ব্যৱহাৰ কৰা এই শব্দসমূহ

মহিলাসকলৰ আৱেগ প্ৰকাশৰ অন্যতম মাধ্যম। মহিলাসকল সাধাৰণতে পুৰুষতকৈ বেছি আৱেগিক। গতিকে এনে সুকীয়া শব্দসমূহৰ জৰিয়তেই মহিলাসকলে মনৰ আৱেগ অনুভূতি প্ৰকাশ কৰে। সাম্প্ৰতিক সময়ত এনে শব্দসমূহৰ সংখ্যা আগতকৈ কমিছে যদিও নোহোৱা হৈ পৰাৰ সম্ভাৱনা কম। কাৰণ, ঘৰুৱা পৰিবেশত আগতকৈ কমকৈ হ'লেও মহিলাসকলে বাক্যলংকাৰ আৰু স্বাৰ্থিক প্ৰত্যয়ৰ বহুল ব্যৱহাৰ কৰে।

জাতি-ধৰ্ম নিৰ্বিশেষে মৌজাখনৰ সকলো মহিলাই ডাকৰ-বচন আৰু জতুৱা ঠাঁচযুক্ত বাক্য আৰু শব্দৰ ব্যৱহাৰ কৰে। পুৰুষসকলে ব্যৱহাৰ নকৰা কিছুমান সুকীয়া জতুৱা ঠাঁচে শ'ল'গুৰি মৌজাৰ নাৰী-ভাষাক সমৃদ্ধ কৰিছে। বিশেষকৈ ৬০ বছৰ বয়সৰ উৰ্দ্ধৰ মহিলা, নিৰক্ষৰ মহিলা আৰু গৃহিণী তথা কৃষি কাৰ্যত অংশগ্ৰহাণকাৰী মহিলাসকলৰ মাজত আজিও ডাকৰ বচন আৰু জতুৱা ঠাঁচৰ বহুল ব্যৱহাৰ আছে। কিন্তু, নৱ প্ৰজন্মৰ মাজত কেৱল মৌজাখনত প্ৰচলিত এনে সুকীয়া জতুৱা ঠাঁচযুক্ত বাক্য আৰু শব্দৰ ব্যৱহাৰ দিনক দিনে হ্ৰাস পাই আহিছে। এনে পৰিস্থিতিত তেওঁলোকে ব্যৱহাৰ কৰা এই সুকীয়া জতুৱা ঠাঁচসমূহ  অদূৰ ভৱিষ্যতে লুপ্ত হৈ পৰাৰ সম্ভাৱনা আছে।

নাৰীকেন্দ্ৰিক গীত-মাতৰ ক্ষেত্ৰতো দেখা যায় যে মৌজাখনৰ মহিলাসকলৰ মাজত প্ৰচলিত গীত-মাতে নাৰী-ভাষাৰ বহুবোৰ  দিশ পোহৰলৈ আনে। নাৰীকেন্দ্ৰিক উৎসৱ-অনুষ্ঠানত ব্যৱহৃত গীত-মাতৰ ভাষা বিশ্লেষণৰ ফলত দেখা গ'ল যে, মহিলাসকলৰ ভাষা পুৰুষৰ ভাষাতকৈ বেছি ৰক্ষণশীল। পুৰুষে অতি সহজে নতুন শব্দ আৰু প্ৰকাশৰ ধৰণ গ্ৰহণ কৰাৰ বিপৰীতে মহিলাই পুৰণিটোকে খামোচ মাৰি ধৰি থাকিব বিচাৰে। নিষিদ্ধ শব্দ, সাংকেতিক শব্দৰ ব্যৱহাৰত এই ৰক্ষণশীলতা স্পষ্টকৈ  প্ৰকাশ পায়। গীত-মাত সমূহতো মহিলাসকলে নাৰী-সমাজত সততে ব্যৱহৃত শব্দকেই ব্যৱহাৰ কৰে। নাৰীসকলে ঠাই বিশেষে  প্ৰচলিত গীত-মাতসমূহ যেনেদৰে প্ৰচলিত হৈ আহিছে তেনেদৰেই ব্যৱহাৰ কৰিব বিচাৰে। গীত-মাতবোৰত নাৰী-ভাষাৰ কোমলতা, সৰলতা, বিনয়ী আৰু ধাৰ্মিক মনোভাৱো ব্যক্ত হয়। মহিলাসকলে এই গীত-মাতসমূহ পৰিৱৰ্তন নোহোৱাকৈ বছৰ বছৰ ধৰি সংৰক্ষণ কৰি আহিছে। অৱশ্যে  আগতকৈ এই গীত-মাতসমূহৰ জনপ্ৰিয়তা মৌজাখনৰ মহিলাসকলৰ মাজত হ্ৰাস পাইছে যদিও ৪০ৰ উৰ্দ্ধৰ মহিলা আৰু ৪০ৰ তলৰ সচেতন মহিলাসকলৰ মাজত এই গীত-মাতসমূহৰ ব্যৱহাৰ হৈ আছে।

মৌজাখনৰ নাৰী-ভাষাত ব্যৱহাৰ হোৱা সাংকেতিক শব্দ, নিষিদ্ধ শব্দ, বাক্যলংকাৰ জাতীয় শব্দ, ধ্বন্যাত্মক শব্দ, স্বাৰ্থিক প্ৰত্যয়, গালি-শপনিসূচক শব্দ আদিৰ অধিকাংশই নাৰীৰ ভাষাক সমৃদ্ধ

কৰাৰ লগতে স্বকীয়তা ৰক্ষাতো সহায় কৰে। প্ৰাকৃতিকভাৱে পুৰুষতকৈ মহিলাসকল বেছি লাজকুৰীয়া হয়। মহিলাসকলৰ ভাষাত সাংকেতিক শব্দ ব্যৱহাৰৰ নিশ্চিতভাৱে ইও এক অন্যতম কাৰণ।

**এই অধ্যয়নৰ পৰা শ'ল'গুৰি মৌজাৰ নাৰী-ভাষা সম্পৰ্কে পোৱা সিদ্ধান্ত সমূহ এনেধৰণৰ—**

১. আধুনিকতাৰ প্ৰভাৱত নাৰী-ভাষাৰ সুকীয়া ভাষিক সমলসমূহৰ ব্যৱহাৰ দিনক দিনে কমি আহিছে।

২. ধৰ্ম, বৃত্তি সাক্ষৰতা আৰু বয়সে মৌজাখনৰ নাৰীভাষাক বহুলভাৱে প্ৰভাৱিত কৰিছে।

৩. মৌজাখনৰ জাতিগত সাংস্কৃতিক বৈচিত্ৰ্যই নাৰী-ভাষাক সমৃদ্ধ কৰিছে।

৪. পুৰুষৰ সৈতে সম-মৰ্যদাপূৰ্ণ জীৱন-যাপনৰ ফলত নাৰী আৰু পুৰুষৰ ভাষিক ব্যৱধান হ্ৰাস পাইছে। যাৰ ফলত সুকীয়া নাৰী-ভাষাৰ ব্যৱহাৰ কমি আহিছে।

৫. নাৰীকেন্দ্ৰিক উৎসৱ-অনুষ্ঠানসমূহৰ অধিকাংশই কমকৈ অনুষ্ঠিত হোৱাৰ ফলত এইবোৰৰ সৈতে জড়িত গীত-মাতসমূহো লাহে লাহে অব্যৱহৃত হৈ পৰিছে। যাৰ ফলত এই গীত-মাতসমূহত সংপৃক্ত হৈ থকা নাৰী-ভাষাৰ বহুবোৰ সমল সমাজৰ পৰা হেৰাই যাবলৈ ধৰিছে।

নাৰী-ভাষা অধ্যয়নৰ প্ৰাসংগিকতা বৰ্তমান সময়ত অতি গুৰুত্বপূৰ্ণ। নাৰী আৰু পুৰুষৰ মাজৰ ব্যৱধান কমি অহাৰ ফলত পৃথিৱীৰ প্ৰতিখন ঠাই আৰু প্ৰতিটো জাতিৰ নাৰী-ভাষা প্ৰভাৱান্বিত হৈছে। প্ৰত্যেক সমাজৰে নাৰীসকলে পৰম্পৰা আৰু সংস্কৃতিৰ অধিকাংশ ৰক্ষা কৰে। নাৰীসকলৰ মাজত প্ৰচলিত নাৰীকেন্দ্ৰিক উৎসৱ-অনুষ্ঠান তথা দৈনন্দিন জীৱনত ব্যৱহৃত ভাষা অধ্যয়ন কৰিলেই এটা অঞ্চলৰ বা একোটা জাতিৰ পৰম্পৰা তথা সংস্কৃতি সম্পৰ্কে বহুবোৰ তথ্য উদঘাটন কৰিব পৰি। এক কথাত ক'বলৈ গ'লে নাৰীয়ে এটা জাতিৰ সংস্কৃতি ৰক্ষাত সবল ভূমিকা গ্ৰহণ কৰে। পুৰুষতকৈ সুকীয়া শব্দ আৰু প্ৰকাশভংগী ব্যৱহাৰৰ ফলত নাৰী-ভাষাই এক স্বতন্ত্ৰ ৰূপ লাভ কৰে। নাৰী-ভাষাৰ এনে সুকীয়া বিশেষত্বই ভাষা এটাক সামগ্ৰিকভাৱে সমৃদ্ধ কৰে।

ভাষা এটাৰ বৈশিষ্ট্যসমূহ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মই লাভ কৰে। তেনেদৰেই ভাষা এটা জীয়াই থাকে। কিন্তু ব্যৱহাৰৰ অভাৱত এই বৈশিষ্ট্যসমূহ কেতিয়াবা লুপ্ত হৈ পৰে। শ'ল'গুৰি মৌজাৰ নাৰী-ভাষাৰ ক্ষেত্ৰতো একে ঘটনাই সংঘটিত হৈছে। নিৰক্ষৰ, বয়সস্থ গৃহিণী আৰু গৃহিণী হোৱাৰ লগতে যিসকল মহিলাই কৃষি কাৰ্যতো সমানে অংশ গ্ৰহণ কৰে, তেওঁলোকৰ ভাষাতহে মৌজাখনৰ নাৰী-ভাষাৰ সমলসমূহৰ কিছু সংখ্যক ৰক্ষিত হৈ আছে। সময়ৰ লগে লগে মৌজাখনৰ নাৰী-ভাষাই সংকুচিত ৰূপ এটা লাভ কৰিছে। যিমানেই মৌজাখনৰ মহিলাসকলে আধুনিক পৃথিৱীখনৰ

বহল পৰিসীমালৈ ওলাই গৈছে সিমানেই নাৰীসকলে সুকীয়া শব্দ, সুৰ লহৰ আৰু প্ৰকাশভংগী ব্যৱহাৰৰ প্ৰতি অনাগ্ৰহী হৈ উঠিছে। ফলত অসমীয়া ভাষাক সমৃদ্ধ কৰা বহু শব্দ, সুৰ লহৰ, জতুৱা ঠাঁচ আদিৰ লগতে কিছুমান সাংস্কৃতিক আৰু ভাষিক সমলো ভাষাটোৰ লগতে হেৰাই যোৱাৰ উপক্ৰম হৈছে।

আমাৰ অধ্যয়নত শ'ল'গুৰি মৌজাৰ নাৰী-ভাষাৰ বৈশিষ্ট্যসমূহ সমাজ-ভাষাবৈজ্ঞানিক দিশেৰে বিশ্লেষণ কৰা হৈছে। এই বিষয়টোৰ পৰিসৰ যথেষ্ট ব্যাপক আৰু ইয়াৰ আনুষাংগিক বিভিন্ন দিশ সম্পৰ্কে অধ্যয়ন আৰু আলোচনাৰ যথেষ্ট অৱকাশ আছে। গতিকে ভৱিষ্যতে এই বিষয়ত নতুন দৃষ্টি ভংগীৰ আধাৰত অধ্যয়ন কৰিলে ন ন তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।